**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-MAY-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

---

ৰাজ্যত আসন্ন লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে লোকপিয়ল সঞ্চালকালয়ে সকলো ধৰণৰ প্ৰাৰম্ভিক প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ইয়াৰ বাবে ইতিমধ্যে ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। লোকপিয়লৰ পৰিপ্ৰেক্ষিতত এই গণনাকাৰী বিষয়াসকলৰ অহা ৩১ মাৰ্চ পৰ্যন্ত বদলিত বাধা নিষেধ আৰোপ কৰা হৈছে। এই সন্দৰ্ভত গৃহ মন্ত্ৰালয়ৰ জৰুৰী পত্ৰ লাভৰ পাছতে কৰ্মচাৰী বিভাগে সাধাৰণ প্ৰশাসন বিভাগৰ সচিব আৰু সকলো জিলা আয়ুক্তলৈ নিৰ্দেশ প্ৰেৰণ কৰিছে।

উল্লেখযোগ্য যে ৰাজ্যত অহা ২ আগষ্টত আৰম্ভ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকপিয়লৰ বাবে জিলাই জিলাই গৃহ তালিকা আৰু গৃহ পিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ আৰম্ভ হৈছে। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জন গণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব।

দেশৰ ষোড়শ আৰু স্বৰাজোত্তৰ ভাৰতৰ অষ্টম লোকপিয়লত  সামাজিক অৱস্থা আৰু জাতিগত গণনাকে ধৰি জনসংখ্যা আৰু গৃহ পিয়ল অন্তৰ্ভুক্ত হ'ব। প্ৰথম পৰ্যায়ত ঘৰৰ তালিকা প্ৰস্তুত কৰা হ'ব আৰু দ্বিতীয় পৰ্যায়ত জনসংখ্যাৰ গণনা কৰা হ'ব। ইয়াৰ বাবে অহা বছৰৰ পহিলা এপ্ৰিলক ভিত্তি তাৰিখ হিচাপে নিৰ্ধাৰণ কৰা হৈছে। দেশত এইবাৰ প্ৰথমবাৰৰ বাবে সম্পূৰ্ণ ডিজিটেল প্ৰক্ৰিয়াৰে লোকপিয়ল হৈছে। এই প্ৰক্ৰিয়াত এণ্ড্ৰইদ আৰু আই অ' এছৰ মোবাইল এপৰ জৰিয়তে তথ্যসমূহ সংগ্ৰহ কৰা হৈছে। এইবাৰৰ লোকপিয়লত স্ব-গণনাৰো বিকল্প ব্যৱস্থা কৰা হৈছে। লোকপিয়লত জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব।

oooooo

ডিব্ৰুগড় পৌৰনিগমে ডিব্ৰুগড় মহানগৰৰ তীব্ৰ যান জঁটৰ সমস্যা সমাধানৰ লক্ষ্যৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। জনসাধাৰণৰ সুৰক্ষা আৰু নগৰীয়া শৃংখলাৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি পথৰ কাষৰ অবৈধ দোকান-পোহাৰ উচ্ছেদ চলোৱা হৈছে বুলি পৌৰসভাই উল্লেখ কৰিছে। এই কাৰ্য্যক সদৌ অসম ছাত্ৰ সন্থাৰ ডিব্ৰুগড় আঞ্চলিক সমিতিয়ে আদৰণি জনাইছে। ইয়াৰ লগতে ছাত্ৰ সন্থাটোৱে নিৰ্ধাৰিত সময়ৰ ভিতৰত এই সকল ব্যৱসায়ীক নিৰ্দিষ্ট স্থানত ব্যৱসায়ৰ সুবিধা দিবলৈ অনুৰোধ জনাইছে।

oooooo

ডিব্ৰুগড় জিলাৰ দুলীয়াজান শাখা লেখিকা সন্থাৰ দ্বিবাৰ্ষিক অধিবেশনৰ লগত সংগতি ৰাখি সদৌ অসম ভিত্তিত মদিৰা শইকীয়া ভূঞাৰ সোঁৱৰণত দ্বিতীয় বাৰ্ষিক কাব্য গ্ৰন্থৰ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। প্ৰতিযোগিতাত ১৮ বছৰৰ উৰ্ধৰ ব্যক্তি সকলে অংশ গ্ৰহণ কৰিব পাৰিব। ২০২৩ চনৰ পৰা চলিত বৰ্ষলৈকে প্ৰকাশিত কাব্য গ্ৰন্থৰ ২ টাকৈ কপি প্ৰতিযোগিতাৰ বাবে ১৮ জুনৰ ভিতৰত প্ৰেৰণ কৰিব লাগিব। নিৰ্বাচিত ৩ খন কাব্য গ্ৰন্থক ৫ জুলাইত লেখিকা সন্থাৰ বছেৰেকীয়া অধিবেশনত বঁটা প্ৰদান কৰা হ'ব বুলি লেখিকা সন্থাই অৱগত কৰিছে।

oooooo

ডিব্ৰুগড় জিলাৰ চাবুৱা পৌৰসভাৰ প্ৰদেন সদস্য হিচাপে চাবুৱা লাহোৱালৰ বিধায়ক বিনোদ হাজৰিকাই কালি এটা বিশেষ অনুষ্ঠানত শপত গ্ৰহণ কৰে। এই অনুষ্ঠানত চাবুৱা পৌৰসভাৰ পৌৰপতি, চাবুৱাৰ ৰাজহ চক্ৰ বিষয়াৰ লগতে বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

যোৰহাট জিলা আয়ুক্ত জয় শিৱানীৰ অধ্যক্ষতাত কালি জিলা কৃষি বিভাগৰ এখন গুৰুত্বপূৰ্ণ আন্তঃবিভাগীয় বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত কৃষি খণ্ডৰ বিভিন্ন আঁচনিসমূহৰ সফল ৰূপায়ণ নিশ্চিত কৰাৰ বাবে বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়া হয়। তদুপৰি জলসিঞ্চন, ভূমি, পশুপালন, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ সৈতে সমন্বয় ৰক্ষা কৰি কাম কৰাৰ বাবে নিৰ্দেশ দিয়া হয়।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ **মন কী বাত** অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৪ সংখ্যক খণ্ড।

০০০০০০

**সমাপ্ত**